Dailyassam.com

# গোট-৩ তৃতীয় অধ্যায়

# জনসংখ্যাৰ গঠন
## [ Population Composition ]

পৃথিবীৰ যিকোনো দেশৰ মানুহৰ মাজত বহুতোক্ষেত্ৰত পাৰ্থক্য বিবাজমান।

নিজাববীয়াকৈ প্ৰতি ব্যক্তি অনন্য। ব্যক্তি সকলক বয়স, লিঙ্গ আৰু তেওঁলোকৰ বসতি স্থানৰ বৈশিষ্ট্য অনুযায়ী চিহ্নিত কৰিব পাৰি। আন গুণৰ পাৰ্থক্য আৰোপ কৰিব পৰাকৈ থকা আন বিষয়সমূহ হ'ল বৃত্তি, শিক্ষা আৰু জীৱন প্ৰত্যাশা।

**লিঙ্গ গঠন (Sex Composition) ঃ**

কোনো এখন দেশৰ জনসাংখ্যিক বৈশিষ্ট্য পুৰুষ আৰু মহিলাৰ সংখ্যাৰে নিৰূপিত হয়। মহিলা আৰু পুৰুষৰ সংখ্যাৰ মাজত থকা অনুপাতকে জনসংখ্যাৰ লিঙ্গ অনুপাত বোলে। এক সূত্ৰৰ প্ৰয়োগৰ দ্বাৰা কিছুমান দেশৰ ইয়াক গণনা কৰে

$$\frac{\text{পুৰুষৰ সংখ্যা}}{\text{মহিলাৰ সংখ্যা}} \times 1000$$

নতুবা এহেজাৰ গৰাকী মহিলা বিপৰীতে থকা পুৰুষৰ সংখ্যা।

নিম্নলিখিত সূত্ৰটোৰ ব্যৱহাৰৰ দ্বাৰা ভাৰতবৰ্ষত, লিঙ্গ অনুপাত উলিওৱা হয় ঃ

$$\frac{\text{মহিলাৰ সংখ্যা}}{\text{পুৰুষৰ সংখ্যা}} \times 1000$$

নতুবা এহেজাৰ জন পুৰুষে প্ৰতি থকা মহিলাৰ সংখ্যা।

লিংগ অনুপাত এক অতি প্ৰয়োজনীয় তথ্য। এই তথ্যই এখন দেশৰ মহিলাৰ মৰ্য্যদা নিৰ্ণয় কৰে।

যিবোৰ অঞ্চলত লিঙ্গপ্ৰভেদ নিয়ন্ত্ৰণহীন তেতিয়া মহিলাৰ পক্ষে লিঙ্গ অনুপাত প্ৰতিকূল হোৱা দেখা যায়। এই অঞ্চলবোৰত কিছুমান প্ৰচলিত হৈ থকা ৰীতি যেনে মহিলাৰ ভ্ৰূণহত্যা, কিশোৰী শিশু হত্যা আৰু মহিলাৰ বিৰুদ্ধে ঘৰুৱা অপৰাধ আদিবোৰ প্ৰবলতৰ হয়। এই অঞ্চলবোৰত, যিকোনো এটা কাৰণৰ দ্বাৰাই মহিলাৰ আৰ্থ-সামাজিক মৰ্য্যাদা অবনমিত হ'ব পাৰে। তোমালোকে মনত ৰখা দৰকাৰ যে, জনসংখ্যাত বেছিসংখ্যক মহিলা থকাটোকে, তেওঁলোকৰ উৎকৃষ্ট মৰ্যাদা থকাটো নুবুজায়। এইটো এনেকুৱাও হব পাৰে, হয়তো পুৰুষ সকলে আন ঠাইলৈ কৰ্ম-সংস্থাপনৰ সন্ধানত প্ৰব্ৰজন কৰিবলৈ লৈছে।

> **স্বাভাবিক প্ৰাধান্যৰ বিপৰীতে থকা সামাজিক প্ৰতিকূল অবস্থা**
>
> পুৰুষৰ ওপৰত মহিলা সকলৰ এক জৈবিক প্ৰাধান্য থাকে, কাৰণ পুৰুষ সকলতকৈ তেওঁলোক, বহু বেছি স্থিতিস্থাপকতা সম্পন্ন হয়, যদিও সামাজিক প্ৰতিকূল অবস্থা আৰু তেওঁলোকে সন্মুখীন হ'ব লগা পৰিস্থিতি বোৰৰ দ্বাৰা, এই প্ৰাধান্য বোৰৰ লোপ কৰা হয়।

গড় হিচাবে, পৃথিবীৰ জনসংখ্যাত, প্ৰতি ১০০০ জন পুৰুষে প্ৰতি ৯৯০ গৰাকী মহিলাৰ লিঙ্গ অনুপাত প্ৰতিফলিত হৈ আছে। পৃথিবীৰ ভিতৰত আটাইতকৈ বেছি লিঙ্গ অনুপাত পোৱা গৈছে লাটভিয়াত (Latvia) । সেয়া হৈছে, প্ৰতি ১০০০ জন পুৰুষে প্ৰতি থকা ১১৮৭ গৰাকী মহিলাৰ স্থিতিইয়াৰ বিপৰীতে আটাইতকৈ নিম্ন লিঙ্গ অনুপাত সংযুক্ত আৰব গনৰাজ্যত (U.A.E) দেখিবলৈ পোৱা গৈছে। সেয়া হ'ল, প্ৰতি ১০০০ জন পুৰুষে প্ৰতি থকা ৪৬৮ গৰাকী মহিলাৰ স্থিতি।

পৃথিবীৰ উন্নত অঞ্চল সমূহত, লিংগ অনুপাত পদ্ধতিয়ে কোনো ব্যতিক্ৰম প্ৰদৰ্শন নকৰে। যুক্তৰাষ্ট্ৰই প্ৰস্তুত কৰা তালিকা মতে, লিঙ্গ অনুপাত, ১৩৯ খন দেশতে মহিলাৰ পক্ষে অনুকূল আৰু বাকী থকা ৭২ খন ৰাষ্ট্ৰ মহিলাৰ বাবে সুবিধাজনক নহয়।

এচিয়াত লিংগ অনুপাত নিম্নমানৰ। চীনদেশ, ভাৰত, চৌদি আৰব, পাকিস্তান, আফগানিস্তান আদিৰ নিচিনা দেশসমূহত লিংগ অনুপাত নিম্ন। আনহাতে, ইউৰোপৰ (ৰাছিয়া অন্তভূৰ্ক্ত) বৃহৎ অঞ্চল সমূহত চৰম লিঙ্গ অনুপাত থকা দেখা যায়। য'ত নেকি পুৰুষ অপ্ৰধান হিচাবে আছে। ইউৰোপৰ বহু দেশৰে জনসংখ্যাত থকা মহিলা সকল উৎকৃষ্ট মৰ্য্যদা সম্পন্ন হোৱা বাবে, পুৰুষৰ সংখ্যাত

Dailyassam.com



ঘাটি থকা বুলি আৰোপ কৰা হয় আৰু অতীজত এক অতিশয় প্ৰভুত্বকৰণ, পুৰুষৰ দ্বাৰা সংঘটিত হোৱা বাবে পৃথিবীৰ বিভিন্ন অংশলৈ বহিঃ প্ৰব্ৰজন হয়।

**বয়স সংৰচনা (Age Structure) ঃ**

বয়স সংৰচনাই বিভিন্ন বয়সৰ, লোক সংখ্যা, প্ৰতিনিধিত্ব কৰে। জনসংখ্যা গঠনৰ ই এক প্ৰয়োজনীয় সূচক, কিয়নো ১৫-ৰ পৰা ৫৯ বয়সীয়া এক বৃহৎ আকাৰৰ জনসংখ্যাই, এক বৃহৎ কৰ্মঠ জনসংখ্যা কথা বুজায়। ৬০ বছৰৰ ওপৰত থকা এক বিশাল জনসংখ্যাই, বয়স্ক জনসংখ্যাক সূচায়, যিয়ে, স্বাস্থ্য সম্বন্ধীয় সা সুবিধাৰ বাবে বেছি খৰচৰ হকদাৰ হয়। ঠিক একেধৰণে, উচ্চ অনুপাতত থকা যুব জনসংখ্যাৰ দ্বাৰা অঞ্চলটোত এক উচ্চ জন্মহাৰৰ বিষয়ে বুজিব পৰা যায় আৰু জনসংখ্যা, তৰুণ বুলি ধৰা হয়।

**বয়স-লিঙ্গ স্তম্ভ (Age-Sex Pyramid) ঃ**


জনসংখ্যাৰ বয়স-লিঙ্গ স্তম্ভৰ গঠনে বিভিন্ন বয়সী পুৰুষ আৰু মহিলাৰ সংখ্যাক ইঙ্গিত দিয়ে। বয়স-লিঙ্গৰ গঠন দেখুৱাবলৈ, জনসংখ্যা স্তম্ভৰ ব্যৱহাৰ কৰা হয়।

জনসংখ্যা স্তম্ভৰ আকাৰে জনসংখ্যা সমূহৰ বৈশিষ্ট্য প্ৰতিফলিত কৰে। বাওঁফালেটোৱে পুৰুষৰ আৰু সোঁফালটোৱে প্ৰত্যেকবয়সী দলৰ মহিলাৰ শতাংশ দেখুৱায়।

3.1, 3.2 আৰু 3.3. চিত্ৰতিনিটাই বিভিন্ন প্ৰকাৰৰ জনসংখ্যা স্তম্ভ দেখুৱাইছে।

**বৰ্দ্ধিত জনসংখ্যা (Expanding Populations) ঃ**


নাইজেৰিয়াৰ বয়স লিঙ্গ পিৰামিডীয় স্তম্ভলৈ চালে দেখিবলৈ পাবা যে ই এক বহল ভূমি সম্পন্ন ত্ৰিভূজাকাৰ স্তম্ভ আৰু নিম্ন উন্নয়নমুখী দেশসমূহৰ বাবে আদৰ্শস্বৰূপ। উচ্চ জন্মহাৰ থকা বাবে, ইয়াত কম বয়সীয়া জনসংখ্যা, বহু বেছি পৰিমানত আছে। তোমালোকে যদি বাংলাদেশ আৰু মেক্সিকোৰ স্তম্ভ অংকন কৰা দেখিবলৈ একে যেন পাবা।




*Data source : Demographic Year Book, 2003, United Nations Statistics Division*
*Data refer to national projection.*

চিত্ৰ ৩.১ ঃ বৰ্দ্ধিত জনসংখ্যা।

**অপৰিৱৰ্তনীয় জনসংখ্যা (Constant Populations) ঃ**




*Data source : Demographic Year Book, 2003, United Nations Statistics Division*

চিত্ৰ ৩.২ ঃ অপৰিৱৰ্তনীয় জনসংখ্যা।


অষ্ট্ৰেলিয়াৰ বয়স-লিংগ পিৰামিড টো ঘণ্টা আকৃতিৰ আৰু ওপৰলৈ ক্ৰমশঃ জোঙা হৈ যোৱা। ইয়াৰ দ্বাৰা জন্ম আৰু মৃত্যু হাৰ প্ৰায় সমান বুলিয়ে দেখুওৱা হয় যিয়ে অপৰিৱৰ্তনীয় জনসংখ্যাক বুজায়।

Dailyassam.com



## অধঃপতিত হোৱা জনসংখ্যা (Declining Populations) :

জাপানৰ ঠেক ভূমি সম্পন্ন পিৰামিডীয় স্তম্ভৰ, ওপৰলৈ ক্ৰমশঃ জোঙা হৈ যোৱা অংশটোৱে নিম্নমানদণ্ডৰ জন্ম আৰু মৃত্যু হাৰ দেখুৱায়। সাধাৰণতে, উন্নয়নশীল দেশসমূহৰ জনসংখ্যা বৃদ্ধি শূন্য অথবা ঋণাত্মক বুলিব পাৰি।




Percent

*Data source : Demographic Year Book, 2003, United Nations Statistics Division Excluding diplomatic personel outside the country and foreign millitary and civilion personel and their dependants stationed in the area.*

*চিত্ৰ ৩.৩ : অধঃপতিত জনসংখ্যা।*

## ক্ৰিয়াকলাপ (Activity) :

তোমালোকৰ বিদ্যালয়খনৰ জনসংখ্যা স্তম্ভ এটা অংকন কৰি বৈশিষ্ট্য খিনি বৰ্ণনা কৰা।

### বাৰ্দ্ধক্যযুক্ত জনসংখ্যা (Ageing Population)

জনসংখ্যাৰ বাৰ্দ্ধক্য হ'ল এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা বয়সীয়া জনসংখ্যাৰ অংশ সমানুপাতিক ভাবে বৃহত্তৰ হৈ পৰে। বিংশ শতাব্দীৰ ই এক নবতম সংঘটন। পৃথিৱীৰ বেছিভাগ উন্নয়নশীল দেশতে, জীৱন প্ৰত্যাশাৰ বৃদ্ধি ঘটাৰ বাবে বয়স্ক জনসংখ্যাৰ বৃদ্ধি ঘটিবলৈ ধৰিছে। জন্মহাৰ নিম্ন হৈ যোৱাৰ বাবে, জনসংখ্যাত শিশুৰ অনুপাত অধঃপতিত হৈছে।

## গ্ৰাম্য, নগৰ ৰচনা (Rural, Urban Composition) :

বাসস্থানৰ ওপৰত ভিত্তি কৰি জনসংখ্যাক গ্ৰাম্য আৰু নগৰীয়া এই দুটা ভাগত বিভক্ত কৰিব পৰা যায়। এই বিভাজন প্ৰয়োজনীয়, কিয়নো গ্ৰাম্য আৰু নগৰীয়া জীবন শৈলী, তেওঁলোকৰ জীৱনধাৰণ আৰু সামাজিক অৱস্থাৰ ক্ষেত্ৰত থকা পাৰ্থক্যৰ দ্বাৰা বুজিব পৰা যায়। গ্ৰাম্য আৰু নগৰ অঞ্চলত বয়স-লিংগ-বৃত্তিৰ গঠন, জনসংখ্যাৰ ঘনত্ব আৰু উন্নয়নৰ স্তৰৰ পাৰ্থক্য আছে।

দেশভেদে গ্ৰাম্য আৰু নগৰীয়া জনসংখ্যাৰ পৃথকীকৰণৰ বিচাৰৰ নীতিৰ পাৰ্থক্য আছে। সাধাৰণ অৰ্থত গ্ৰাম্য অঞ্চল বোৰ হ'ল এনে অঞ্চল য'ত মানুহে প্ৰাথমিক কাৰ্যত আৱদ্ধ হৈ থাকে আৰু নগৰীয়া অঞ্চলবোৰ হ'ল এনে ঠাই য'ত জনসংখ্যাই অ-প্ৰাথমিক কাৰ্য কলাপত লিপ্ত হৈ থাকে।

3.4 চিত্ৰটোৱে নিৰ্বাচিত দেশ কেইখনমান গ্ৰাম্য নগৰীয়া লিংগ ৰচনা দেখুৱাইছে। কানাডা আৰু পশ্চিম ইউৰোপীয় দেশসমূহৰ যেনে ফিনলেণ্ড (Finland)-ৰ গ্ৰাম্য আৰু নগৰীয়া লিংগ অনুপাতৰ প্ৰভেদ আফ্ৰিকা আৰু এচিয়াৰ দেশসমূহ যথা ক্ৰমে জিম্বাবৱে আৰু নেপালৰ সম্পূৰ্ণ বিপৰীত। পশ্চিমীয়া দেশসমূহৰ গ্ৰাম্য অঞ্চলবোৰত মহিলাতকৈ পুৰুষৰ সংখ্যা সৰহ আৰু নগৰীয়া অঞ্চলবোৰত পুৰুষতকৈ মহিলাৰ সংখ্যা সৰহ হৈ থাকে। নেপাল, পাকিস্তান আৰু ভাৰতবৰ্ষৰ নিচিনা দেশসমূহত ইয়াৰ বিপৰীত অৱস্থাটো দেখিবলৈ পোৱা যায়। বিস্তৃত ভাবে থকা চাকৰিৰ সুযোগ লাভ কৰিবলৈ, গ্ৰাম্য অঞ্চলৰ পৰা মহিলা সকলৰ আগমন হোৱাৰ ফলত যুক্তৰাষ্ট্ৰ কানাডা আৰু ইউৰোপীয় নগৰ সমূহত মহিলাৰ সংখ্যা বেছি। এনেবোৰ উন্নয়নশীল দেশত কৃষিক্ষেত্ৰটো, উচ্চমানৰ যন্ত্ৰচালিত হৈছে আৰু প্ৰধানত পুৰুষৰ বৃত্তি হিচাপে পৰিগণিত। ইয়াৰ বিপৰীতে, এচিয়াৰ নগৰ অঞ্চল সমূহৰ লিংগ অনুপাতত, পুৰুষ প্ৰব্ৰজনৰ প্ৰাধান্যতাৰ বাবে পুৰুষৰ আধিপত্য থকা দেখা যায়। এইটো কথা লক্ষনীয় যে, ভাৰতবৰ্ষৰ নিচিনা দেশবোৰৰ গ্ৰাম্য অঞ্চলবোৰত কৃষিকাৰ্যত মহিলাৰ যোগদান যথোচিত ভাবে উচ্চতৰ। আবাস গৃহৰ অভাৱ, ব্যয়বহুল জীবনযাত্ৰা, চাকৰিৰ সুযোগৰ নাটনি আৰু নিৰাপত্তাৰ অভাৱে মহিলা সকলক গ্ৰাম্য অঞ্চলৰ পৰা নগৰমুখী প্ৰব্ৰজনত নিৰুৎসাহিত কৰে।

**সাক্ষৰতা (Literacy) :** এখন দেশৰ শিক্ষিত জনসংখ্যাৰ অনুপাত হ'ল ইয়াৰ আৰ্থ-সামাজিক উন্নয়নৰ সূচক, যিহেতু—ই জীৱনধাৰণৰ মান, মহিলাৰ সামাজিক মৰ্য্যদা, শিক্ষাৰ সা-সুবিধাৰ প্ৰাপ্যতা আৰু চৰকাৰৰ নীতি সমূহক প্ৰতিপন্ন কৰে। ভাৰতবৰ্ষত—


Dailyassam.com



সাক্ষৰতাৰ হাৰ বুলিলে ৭ বছৰৰ ওপৰৰ জনসংখ্যাৰ শতাংশক বুজায় যিয়ে পঢ়া লিখাৰ লগতে গণিতৰ গণনা কৰিবলৈ সক্ষম আৰু বুজি পায়।

**বৃত্তিৰ গঠন (Occupational Structure) ঃ**

কৰ্মঠ জনসংখ্যাই (অৰ্থাৎ, ১৫-ৰ পৰা ৫৯ বছৰ বয়সলৈ থকা মহিলা আৰু পুৰুষ) বিভিন্ন ধৰণৰ পৰিসৰ যুক্ত বৃত্তি ক্ৰমে কৃষি, বনবিভাগ, মৎস্যবৃত্তি, ঔদ্যোগীক, নিৰ্মানকাৰ্য, বাণিজ্যক, যাতায়াত, চাকৰি, যোগাযোগ আৰু অন্যান্য অশ্ৰেণীভূক্ত চাকৰিত অংশ অংশ গ্ৰহণ কৰি থাকে।




*চিত্ৰ ৩.৪ ঃ গ্ৰাম্যনগৰীয়া লিংগ ৰচনা 2003 (নিৰ্বাচিত দেশসমূহৰ)।*

কৃষি, বননি, মৎস্যবৃত্তি আৰু খনি সমূহক প্ৰাথমিক; ঔদ্যোগীক কৰ্মক দ্বিতীয়ক; যোগাযোগ আৰু অন্যান্য কৰ্মবোৰক তৃতীয়ক বৃত্তি হিচাপে আৰু গবেষণা আৰু গঠনমূলক ধাৰণাৰ লগত জড়িত থকা কৰ্মসমূহক চতুৰ্থক কাৰ্য হিচাবে শ্ৰেণীবিভাগ কৰা হয়। এই চাৰিওটা বিভাগত নিযুক্তি লৈ থকা কৰ্মী জনসংখ্যাৰ অনুপাতৰ দ্বাৰা, এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়নৰ স্তৰক ভালদৰে সূচাব পাৰি। কাৰণ, কেৱল উদ্যোগ আৰু বুনিয়াদ থকা এখন উন্নয়নশীল অৰ্থনীতি সম্পন্ন দেশেহে বহুসংখ্যক কৰ্মীক, দ্বিতীয়ক, তৃতীয়ক আৰু চতুৰ্থক বিভাগবোৰত কৰ্মসংস্থাপনৰ যোগান দিব পাৰে। যদিহে অৰ্থনীতি প্ৰাথমিক পৰ্য্যায়তে থাকে, তেতিয়া কিছু সমানুপাতিক ভাবে এক বুজন সংখ্যক জনসংখ্যাই জগতৰ প্ৰাথমিক কৰ্মত নিয়োগ হৈ থাকে অৰ্থাৎ প্ৰাকৃতিক সম্পদ আহৰণতে লিপ্ত হৈ থাকে।

## • অনুশীলনী •

1. নিম্নলিখিত চাৰিটা বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।

   (i) নিম্নলিখিত কোনটোৰ দ্বাৰা সংযুক্ত আৰব গণৰাজ্যৰ লিংগ অনুপাত নিম্নগামী হৈছে ঃ—

   (a) নিৰ্বাচিত কৰ্মী পুৰুষ জনসংখ্যাৰ প্ৰব্ৰজনৰ দ্বাৰা;

   (b) পুৰুষৰ উচ্চ জন্মহাৰৰ দ্বাৰা;

   (c) মহিলাৰ নিম্নজন্মহাৰৰ দ্বাৰা;

(d) উচ্চহাৰত মহিলাৰ বহিঃ প্ৰব্ৰজনৰ দ্বাৰা।

(ii) নিম্নলিখিত কোনটো ৰাশিয়ে জনসংখ্যাৰ কৰ্মী বয়সী দলক চিত্ৰিত কৰিছে ঃ—

(a) ১৫ ৰ পৰা ৬৫ বছৰ ; (b) ১৫ ৰ পৰা ৬৪ বছৰ ;

(c) ১৫ ৰ পৰা ৬৬ বছৰ ; (d) ১৫ ৰ পৰা ৫৯ বছৰ।

(iii) নিম্নলিখিত কোনখন দেশত, পৃথিবীৰ ভিতৰতে আটাইতকৈ বেছি লিংগ অনুপাত আছে ঃ—

(a) লাটভিয়া ; (b) সংযুক্ত আৰব গণৰাজ্য ;

(c) জাপান ; (d) ফ্ৰান্স।

**2. ৩০টা মান শব্দৰ দ্বাৰা নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা।**

(i) জনসংখ্যাৰ উপাদান বুলিলে কি বুজা?

(ii) বয়স গঠনৰ তাৎপৰ্য ক'ত?

(iii) লিংগ অনুপাতৰ জোখ কেনেদৰে লব পাৰি?

**3. ১৫০টা শব্দৰ ভিতৰত নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা।**

(i) জনসংখ্যাৰ গ্ৰাম্য, নগৰীয়া উপাদানৰ বৰ্ণনা কৰা।

(ii) পৃথিবীৰ বিভিন্ন অঞ্চলসমূহত দেখিবলৈ পোৱা, লিংগ-বয়সৰ ভাৰসাম্যহীনতাৰ কাৰক সমূহ আৰু বৃত্তি গঠনৰ বিষয়ে বৰ্ণনা কৰা।

**আঁচনি/কৰ্ম**

তোমালোকৰ জিলা/ৰাজ্যখনৰ এটা বয়স-লিংগ পিৰামিড্ অংকন কৰা।

———